JETIR.ORG ISSN: 2349-5162 | ESTD Year : 2014 | Monthly Issue
JOURNAL OF EMERGING TECHNOLOGIES AND INNOVATIVE RESEARCH (JETIR)
An International Scholarly Open Access, Peer-reviewed, Refereed Journal

# অসমৰ প্ৰথমখন সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ এক অৱলোকন

## অৱতৰণিকা :

সংবাদপত্ৰক সমাজৰ দাপোণ বুলি অভিহিত কৰা হয়। ভাৰতত সংবাদপত্ৰৰ আৰম্ভণি ঘটিছিল ১৭৮০ চনত। জেম্ছ আগষ্টাছ হিকীয়ে ১৭৭৮ চনত কলিকতাত স্থাপন কৰা প্ৰথমটো ছপাশালৰ পৰাই ১৭৮০ চনৰ ২৯ জানুৱাৰীত ভাৰতৰ প্ৰথমখন সংবাদপত্ৰ " বেংগল গেজেট" বা " কেলকাতা জেনেৰেল এড্‌ভাইটাইজাৰ" প্ৰকাশ হৈছিল।

অসমত সংবাদপত্ৰৰ আগমন ঘটিছিল "অৰুনোদই"ৰ যোগেদি। মূলতঃ খ্ৰীষ্টধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে আগমন ঘটা আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে ১৮৪৬ খ্ৰীষ্টাব্দৰ জানুৱাৰী মাহত শিৱসাগৰ নগৰৰ মিছন প্ৰেছৰ পৰা প্ৰথমখন অসমীয়া সংবাদপত্ৰ "অৰুনোদই"ৰ জন্ম দিছিল। "অৰুনোদই"ৰ পাততে অসমত সাংবাদিকতাৰ সূত্ৰপাত ঘটাৰ লগতে অসমীয়া ভাষাৰ নতুন গদ্যশৈলীৰ আৰম্ভণি ঘটে। সাহিত্যৰ বাবে নতুন বীজ ৰোপণ কৰি "অৰুনোদই"য়ে অসমীয়া ভাষা আৰু সাহিত্যক সমৃদ্ধিশালী কৰি তোলে।

"অৰুনোদই"য়ে দেখুৱাই যোৱা বাটেৰেই অগ্ৰসৰ হৈ পৰৱৰ্তী সময়ত "আসাম বিলাসিনী" (১৮৭১), "আসাম মিহিৰ" (১৮৭২), "আসাম নিউজ" (১৮৮২), "জোনাকী" (১৮৮৯), "টাইমছ অৱ আসাম" (১৮৯৫), "বাঁহী" (১৯০৯), "আৱাহন" (১৯২৯) আদি ভালেসংখ্যক সংবাদপত্ৰ – আলোচনীৰ জন্ম হয়। ক্ষণস্থায়ী হ'লেও এই সংবাদপত্ৰসমূহে অসমীয়া সংবাদপত্ৰ আৰু সাহিত্যৰ জগতত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।

ঊনবিংশ শতিকা আৰু কুৰি শতিকাৰ প্ৰথমাৰ্ধত প্ৰকাশিত সংবাদপত্ৰবিলাক ব্যৱসায়িক লাভালাভৰ বাবে প্ৰকাশ কৰা নাছিল। ব্যৱসায়িকভাৱে সাফল্য লাভ কৰিবলৈ সেইবিলাক সংবাদপত্ৰৰ প্ৰচলন সংখ্যাও কম আছিল। আনহাতে উপযুক্ত যোগাযোগ ব্যৱস্থা নথকাত সংবাদ গ্ৰহণ আৰু সংবাদ প্ৰেৰণৰ ক্ষেত্ৰত সংবাদপত্ৰবোৰে আধুনিক সাংবাদিকতাৰ লগত খোজ মিলাব পৰা নাছিল। বিভিন্ন সংবাদপত্ৰৰ মাজত সংবাদ সংগ্ৰহ আৰু প্ৰকাশৰ তীব্ৰ প্ৰতিযোগিতাও পৰিলক্ষিত হোৱা নাছিল। সামগ্ৰিক অৰ্থত অসমৰ সাংবাদিকতাত বৃত্তিগত চিন্তাই তেতিয়া প্ৰাধান্য লাভ কৰা নাছিল। প্ৰচাৰ বৃদ্ধিৰ অভিযান, গৰম খবৰ সংগ্ৰহ, প্ৰকৃতি বিষয় সেইবিলাক সংবাদপত্ৰৰ প্ৰায় উপেক্ষিত বিষয় আছিল। আচলতে সেই সময়ত সংবাদপত্ৰ আছিল কেৱল মতামত প্ৰকাশৰ মাধ্যম।

১৯৩৫ চনত অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ প্ৰকাশৰ লগে লগে অসমৰ সংবাদপত্ৰৰ জগতত এক নতুন অধ্যায়ৰ সূচনা হয়। ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ স্বত্বাধিকাৰত যোৰহাটৰ পৰা প্ৰকাশিত এই সংবাদপত্ৰখনে পোন প্ৰথমে 'ৰয়টাৰ', 'এচ'চিয়েটেড প্ৰেছ' আদি সংবাদ প্ৰতিষ্ঠানৰ পৰা সংবাদ কিনি, সেয়া অনুবাদ কৰি সংবাদপত্ৰত ছপা কৰা নতুন পন্থা এটা অসমত উদ্ভাৱন কৰে। বাগ্মীবৰ নীলমণি ফুকনৰ সম্পাদনাত প্ৰকাশিত "দৈনিক বাতৰি"ৰ যোগেদিয়েই অসমত পোন প্ৰথমবাৰৰ বাবে সাংবাদিকতাৰ বৃত্তিগত চিন্তাৰ সূত্ৰপাত ঘটে।

অসমীয়া ভাষাত দৈনিক সংবাদপত্ৰৰ ধাৰাৰ আৰম্ভণি ঘটোৱা "দৈনিক বাতৰি"য়ে অসমীয়া পাঠক সমাজক ডাঁৰৰ বাতৰি ডাঁৰে দি এক নতুন স্বাদ দিছিল। এনেদৰে ১৯৩৭ চনলৈকে "দৈনিক বাতৰি"য়ে অসমৰ পাঠক সমাজক নিতৌ বাতৰিৰ যোগান ধৰিছিল। কিন্তু পৰিতাপৰ বিষয় যে সংবাদপত্ৰখনৰ স্বত্বাধিকাৰ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা ১৯৩৬ চনত চিকিৎসাৰ বাবে কলিকতালৈ যাব লগা হোৱাত তেওঁৰ অনুপস্থিতিত সংবাদপত্ৰখন প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ সৃষ্টি হয়। ফলত সংবাদপত্ৰখনৰ প্ৰকাশ বন্ধ হৈ যায়। ১৯৩৭ চনৰ ২৯ জুনত সংবাদপত্ৰখনৰ প্ৰকাশ বন্ধ কৰি দিয়ে। এনেকৈয়ে অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ প্ৰচলন বন্ধ হয়।

## অধ্যয়নৰ উদ্দেশ্য আৰু পদ্ধতি :

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ যেনেদৰে বিশ্লেষণ আৰু সংৰক্ষণ হ'ব লাগিছিল তেনেদৰে হোৱা নাই। উপযুক্ত সংৰক্ষণৰ অভাৱতে প্ৰথমখন দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ সকলোবোৰ সংখ্যা বৰ্তমান পাবলৈ নোহোৱা হ'ল। "দৈনিক বাতৰি"য়ে সংবাদ জগতত গঢ়ি থৈ যোৱা ভেটিৰ আলমতে পৰৱৰ্তী সংবাদপত্ৰসমূহে প্ৰেৰণা লাভ কৰি আগ বাঢ়ি গৈছে।সেয়ে অনাগত দিনবিলাকতো "দৈনিক বাতৰি" আন সংবাদপত্ৰসমূহৰ আদৰ্শ আৰু অনুপ্ৰেৰণা হৈ ৰ'ব। অসমীয়া সাংবাদিকতাৰ জগতখনত "দৈনিক বাতৰি"ৰ অসীম প্ৰভাৱ লক্ষ্য কৰিয়েই এই গৱেষণাপত্ৰখন প্ৰস্তুত কৰা হৈছে। অসমৰ প্ৰথমখন সংবাদপত্ৰ হিচাপে "দৈনিক বাতৰি"ৰ এক পৰিচয়, "দৈনিক বাতৰি"ৰ সংবাদৰ বিশেষত্ব, পৰৱৰ্তী অসমীয়া দৈনিক সংবাদপত্ৰ প্ৰকাশত "দৈনিক বাতৰি"ৰ ভূমিকাৰ বিষয়ে বিশ্লেষণ কৰাই হ'ব পত্ৰখনিৰ উদ্দেশ্য।

গৱেষণাপত্ৰখনিত বিশেষকৈ বিশ্লেষণাত্মক পদ্ধতি আৰু প্ৰয়োজন সাপেক্ষে বৰ্ণনাত্মক পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

## অধ্যয়নৰ পৰিসৰ :

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰৰূপে "দৈনিক বাতৰি"ৰ বিভিন্ন প্ৰকাৰে বিশ্লেষণ হ'ব পাৰে। আমাৰ আলোচনাত অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ হিচাপে "দৈনিক বাতৰি"ৰ এক পৰিচয় দাঙি ধৰাৰ লগতে "দৈনিক বাতৰি"ৰ সংবাদৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰা হৈছে আৰু পৰৱৰ্তী অসমীয়া দৈনিক সংবাদপত্ৰ প্ৰকাশত "দৈনিক বাতৰি"ৰ ভূমিকাৰ বিষয়ে বিশ্লেষণ কৰা হৈছে।

## "দৈনিক বাতৰি"ৰ এক পৰিচয় :

যোৰহাট জিলাৰ ঠেঙালৰ পৰা ১৯৩৫ চনৰ ১২ আগষ্টত "দৈনিক বাতৰি" প্ৰকাশ হৈছিল। বাগ্মীবৰ নীলমণি ফুকনৰ সম্পাদনাত প্ৰকাশিত অসমৰ প্ৰথম সংবাদপত্ৰখনৰ স্বত্বাধিকাৰী আছিল শিৱপ্ৰসাদ বৰুৱা। পৰিচালক শশীপ্ৰসাদ বৰুৱা আৰু প্ৰকাশক আছিল ডম্বৰুধৰ ফুকন। সংবাদপত্ৰখনৰ সম্পাদনা সহযোগীসকল আছিল - বেণুধৰ শৰ্মা, কৰুণাকান্ত গগৈ, ৰাজীৱলোচন বৰুৱা আৰু ৰাম বৰুৱা। বেণুধৰ শৰ্মা কাকতখনৰ পৰা আঁতৰি যোৱাত পৰৱৰ্তী সময়ত লক্ষ্মীনাথ ফুকন সহকাৰী সম্পাদক হয়। সংবাদপত্ৰখনৰ মুখ্য মুদ্ৰক আছিল নন্দকান্ত গোস্বামী। সম্পাদক - সাংবাদিক সকলোবিলাক লগ লগাই সংবাদপত্ৰখনত প্ৰায় ৫৫ জন কৰ্মচাৰী আছিল বুলি জানিব পৰা যায়।

অসমীয়া প্ৰথমখন দৈনিক "দৈনিক বাতৰি"ৰ প্ৰচলন সংখ্যা কিমান আছিল সেই সম্পৰ্কত বিভিন্নজনৰ মাজত মতৰ ভিন্নতা দেখা যায়। "লক্ষ্মীনাথ ফুকনৰ মতে, কাকতখনৰ প্ৰচাৰ ২৫০০ খনতকৈ বেছি নাছিল।"*১ কাকতখনৰ প্ৰধান মুদ্ৰাকৰ নন্দকান্ত গোস্বামীৰ মতে "কাকতখনৰ প্ৰথম মুদ্ৰনেই আছিল দহ হাজাৰেৰো অধিক কপি।"*২ সম্পাদনা সহযোগী ৰাম বৰুৱাৰ মতে - "প্ৰথম অৱস্থাত "দৈনিক বাতৰি"ৰ গ্ৰাহক পাঁচশ মানহে আছিল। পিছত উইলিয়ামচন মেগৰৰ আৰু আই.টি. এৰ বাগানসমূহৰ চাহাবৰ পৰা মহৰীলৈকে সকলোৱে কাগজখন লোৱাত আৰু ক্ৰমান্বয়ে কাগজখনেও জনপ্ৰিয়তা অৰ্জন কৰাত গ্ৰাহকৰ সংখ্যা হাজাৰৰ ওপৰত হৈছিল।"*৩ আনহাতে অৰূপ দত্তৰ মতে "দৈনিক বাতৰি"ৰ প্ৰচলন সংখ্যা তিনি হাজাৰমান আছিল, তাৰে তিনিভাগৰ এভাগমান শিৱপ্ৰসাদ বৰুৱা নিজে সদস্য হৈ থকা ভাৰতীয় চাহ সন্থাই কিনি লৈছিল।"*৪

"দৈনিক বাতৰি"ৰ প্ৰকৃত প্ৰচলন সংখ্যা কিমান সেই সন্দৰ্ভত পৰস্পৰ বিৰোধী মত থাকিলেও তদানীন্তন অসমীয়া সমাজখনত শিক্ষিত লোকৰ হাৰ কম হোৱাত, যোগাযোগ ব্যৱস্থা উন্নত নোহোৱাত, কাকত বা আলোচনী এখন নিজাকৈ কিনি পঢ়িবলৈ পঢ়ুৱৈৰ অভাৱ আদি দিশবোৰ পৰ্যবেক্ষণ কৰি লক্ষ্মীনাথ ফুকনে কোৱা '২৫০০ কপি' কাকত প্ৰচলন হোৱা সংখ্যাটোৱে পতিয়নযোগ্য আছিল। সি যি নহওক আজিৰ পৰা ৮৭ বছৰ আগতে সংবাদপত্ৰ এখনৰ ২৫০০ কপি ছপা হোৱাটো এটা উল্লেখযোগ্য খবৰ। কাৰণ সেই সময়ত অসমত শিক্ষিত মানুহৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা অৱস্থা আছিল। তেনেক্ষেত্ৰত প্ৰথমখন দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ ২৫০০ কপি ছপা হোৱা কথাটোৱে কাকতখন যে জনপ্ৰিয় আছিল তাৰে উমান পাব পাৰি।

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰৰূপে ১৯৩৫ চনৰ ১২ আগষ্টত প্ৰকাশ পোৱা "দৈনিক বাতৰি"কে আখ্যা দিয়া হয় যদিও ইয়াৰ পূৰ্বেই যোৰহাটৰ পৰাই মিঃ মফজল হুছেইনৰ সম্পাদনাত "নগৰৰ কথা" নামৰ এখন সংবাদপত্ৰ প্ৰকাশ

পাইছিল। ১৯৩৫ চনৰ ২০ জুলাই তাৰিখে প্ৰকাশ পোৱা "নগৰৰ কথা" নামৰ এক পৃষ্ঠাৰ আৰু এপইচা দামৰ টেবলয়ড আকাৰৰ সংবাদপত্ৰখনে অসমৰ প্ৰথম দৈনিক সংবাদপত্ৰৰূপে স্বীকৃতি দাবী কৰিব পাৰে যদিও বহু কাৰণত "নগৰৰ কথা"ক প্ৰথম দৈনিক সংবাদপত্ৰ বো

লাত অসুবিধা আছে । কাৰণ নিতৌ আবেলি প্ৰকাশ হোৱা সংবাদপত্ৰখনৰ "নগৰৰ কথা" নামটোৰ দৰেই কাকতখনো যোৰহাট নগৰতে আৱদ্ধ আছিল আৰু বাতৰিও প্ৰকাশ হৈছিল কেৱল যোৰহাট নগৰৰ । সেইফালৰ পৰা সংবাদপত্ৰখনক 'স্থানীয় সংবাদ বুলেটিন' বুলিহে আখ্যা দিব পাৰি । তদুপৰি সংবাদপত্ৰখনত দেশ-বিদেশৰ বাতৰি প্ৰকাশ নোপোৱাৰ বাবে সমালোচকসকলে এইখনক অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ বুলি স্বীকৃতি দিব নোখোজে । এই সন্দৰ্ভত লক্ষ্মীনাথ ফুকনে আগ বঢ়োৱা মন্তব্যটো আছিল প্ৰণিধানযোগ্য – "প্ৰথম অসমীয়া দৈনিক বাতৰি কাকত আছিল "দৈনিক বাতৰি" । আগতে যোৰহাটৰ পৰা মফজল হুছেইনে 'নগৰৰ কথা' নাম দি নিজে সম্পাদক হৈ দিনৌ ওলোৱা কাকত এখন কিছুদিন চলাইছিল । কিন্তু প্ৰকৃতপক্ষে সেইখন বাতৰি কাকত নাছিল । প্ৰথম পৃথিৱী যুদ্ধৰ সময়ত ডিব্ৰুগড়ৰ সূৰ্যধৰ ৰাজখোৱা ছপাশালৰ পৰা দিনৌ ওলোৱা 'ৰণৰ বাতৰি'ৰ দৰে 'নগৰৰ কথা' ক'বলৈ গ'লে বুলেটিনহে আছিল। "*৫

তেনেদৰে বেণুধৰ শৰ্মায়ো প্ৰথম অসমীয়া দৈনিক হিচাপে 'দৈনিক বাতৰি'কে সন্মান দি উল্লেখ কৰিছিল "১৯৩৫ চনৰ ১২ আগষ্টত 'দৈনিক বাতৰি' ওলোৱাৰ এমাহমানৰ আগতে 'নগৰৰ কথা' বুলি বাপুতা বা মঃ মফজল হুছেইনে যোৰহাট নগৰৰ খন্তীয়া- খুচৰীয়া বাতৰি প্ৰকাশ কৰি এখিলীয়া পাতেৰে এখন দৈনিক কাকত প্ৰকাশ কৰে । কিন্তু দুমাহমানৰ মূৰত কাগজখন নাইকিয়া হ'ল । যোৰহাটতে আৱদ্ধ থকা বাবে আঁতৰৰ মানুহে তাৰ কথা শুনিবলৈ নেপাইছিল । 'দৈনিক বাতৰি' আছিল সদৌ অসমৰ মুখপত্ৰ ৰূপে । সেই গুণে, সদৌ অসমৰ পোন প্ৰথম দৈনিক কাকত কোনখন বুলিলে 'দৈনিক বাতৰি'কে আঙুলিয়াব লাগিব ।"*৬

সংবাদপত্ৰখনত প্ৰকাশিত সম্পাদকীয়ৰ পৰাও কাকতখন যে স্থানীয় কাকত আছিল সেই কথা বুজিব পৰা যায় – "নগৰৰ সকলো ৰকমৰ অভাৱ-অভিযোগ অসুবিধাৰ কথা দিনে দিনে প্ৰচাৰ কৰা হ'ব । সকলো সম্প্ৰদায়ৰ সমাজ বা ব্যক্তিৰ পৰা নগৰৰ স্বাস্থ্য, সন্মান আৰু সুবিধা হানি ঘটিলে বা ঘটাৰ আশংকা থাকিলে, তাক সাৱধান কৰি দিয়াত 'নগৰৰ কথা' সাজু থাকিব । যাতে নগৰখন আমাৰ আদৰ্শ নগৰ হৈ গঢ়ি উঠে তাৰ কাৰণে জাতি-বৰ্ণ- নিৰ্বিশেষে সকলোকে উচিত মতে জনাই থকা হ'ব । সংবাদদাতাসকলে সংবাদ দিওঁতে আচল সত্যাসত্য ভালকৈ চাই চিতি লৈ যেন সঠিক কথাহে মাত্ৰ জনায় । লিখকৰ চহী আৰু ঠিকনা নাথাকিলে তাক প্ৰকাশ কৰা নহয় ।"*৭

অসমৰ প্ৰথমখন সংবাদপত্ৰ 'দৈনিক বাতৰি'নে 'নগৰৰ কথা' সেই সম্পৰ্কত মত পাৰ্থক্য থাকিলেও বেণুধৰ শৰ্মা আৰু লক্ষ্মীনাথ ফুকনৰ মতকে সৰহসংখ্যক লোকেই সমৰ্থন কৰে । কাৰণ 'নগৰৰ কথা'ত কেৱল যোৰহাট নগৰৰ বাতৰি প্ৰকাশ পাইছিল । তাৰ বিপৰীতে 'দৈনিক বাতৰি'ত অসমৰ লগতে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ বা-বাতৰি প্ৰকাশ পাইছিল । সেয়ে নিঃসন্দেহে 'দৈনিক বাতৰি'কে অসমৰ প্ৰথমখন স্বয়ংসম্পূৰ্ণ দৈনিক সংবাদপত্ৰৰূপে অভিহিত কৰিব পাৰি ।

## "দৈনিক বাতৰি"ৰ সংবাদৰ বিশেষত্ব :

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ প্ৰথম সংখ্যাৰ পৰাই ৮ পৃষ্ঠাকৈ প্ৰকাশ পাইছিল। সংবাদপত্ৰখনৰ আকাৰ আছিল দীঘে ৪৫ ছেণ্টিমিটাৰ আৰু পথালিয়ে ৩০ ছেণ্টিমিটাৰ । কাকতখনৰ মূল্য আছিল দুই পইচা, মাহেকীয়া বৰঙণি এটকা আৰু বছৰেকীয়া বৰঙণি আছিল দহ টকা । "প্ৰথম সংখ্যাতে কলপুলি, ফুলৰ মালাৰে মাংগলিক সামগ্ৰীসহ ১০ ছেণ্টিমিটাৰ বহল আৰু ১৭ ছেণ্টিমিটাৰ দীঘল এটি প্ৰতীক প্ৰকাশিত হৈছিল । প্ৰতীকৰ ভিতৰত লিখা আছিল : " আই ! তোৰ বাতৰি, পৰ্বতে ভৈয়ামে, জানে জুৰিয়ে বওক ।" এই প্ৰতীকটো আঁকিছিল মহেন্দ্ৰনাথ ডেকাফুকনে ।"*৮

বৰ্তমান সময়ৰ দৈনিক সংবাদপত্ৰসমূহৰ প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ বাতৰিসমূহ প্ৰকাশ হোৱাৰ দৰে 'দৈনিক বাতৰি'ত প্ৰকাশ হোৱা নাছিল । " প্ৰথম পৃষ্ঠাৰ মাজভাগতে 'দৈনিক বাতৰি'ৰ প্ৰতীকটো প্ৰকাশিত হৈছিল আৰু তাৰ তলে-ওপৰে প্ৰকাশিত হৈছিল বিজ্ঞাপন ; দ্বিতীয় পৃষ্ঠাত দুটামান বাতৰি আৰু বিজ্ঞাপন ; তৃতীয় পৃষ্ঠাত স্থানীয় আৰু প্ৰাদেশিক বাতৰি ; চতুৰ্থ পৃষ্ঠাত সম্পাদকীয় ; পঞ্চম আৰু ষষ্ঠ পৃষ্ঠাত দেশ-বিদেশৰ বাতৰি, চিঠি-পত্ৰ ; সপ্তম পৃষ্ঠাত বিজ্ঞাপন আৰু দুটামান বাতৰি আৰু অষ্টম পৃষ্ঠাত সম্পূৰ্ণ বিজ্ঞাপন প্ৰকাশিত হৈছিল । মাজে মাজে পঞ্চম পৃষ্ঠাত বিদেশৰ উল্লেখযোগ্য বাতৰিবোৰৰ ডাঙৰ হৰফেৰে শিৰোনামা কৰি ওপৰফালে সহজে চকুত পৰাকৈ দিছিল ।"*৯

'ৰয়টাৰ' আৰু 'এচ' চিয়েটেড প্ৰেছ'ৰ পৰা অহা টেলিগ্ৰাফিক বাতৰিবোৰ 'দৈনিক বাতৰি'ৰ সংবাদৰ মূল উৎস আছিল । 'দৈনিক বাতৰি'য়েই পোন প্ৰথমে 'ৰয়টাৰ' আৰু 'এচ' চিয়েটেড প্ৰেছ'ৰ দৰে সংবাদ প্ৰতিষ্ঠানৰ পৰা বাতৰি কিনি আনি সেইবিলাক অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল । ফলত অসমৰ ভিতৰুৱা অঞ্চলৰ পৰা প্ৰকাশিত হৈয়ো 'দৈনিক বাতৰি' য়ে নিজৰ স্থিতি সবল কৰিব পাৰিছিল । তদুপৰি 'দৈনিক বাতৰি'ৰ যথেষ্ট সংখ্যক স্থানীয় সংবাদদাতা থকাৰ বিষয়ে জানিব পৰা যায় ।

'দৈনিক বাতৰি'ত বেছিভাগ স্থানীয় বা প্ৰাদেশিক সংবাদ প্ৰকাশ পাইছিল । বাতৰিবিলাকৰ কিছুমান শিৰোনাম হ'ল – " 'বজ্ৰপাত পৰি মৃত্যু', 'অজগৰৰ পেটত ল'ৰা', 'উচ্চশিক্ষাৰ বাবে বিলাত যাত্ৰা', 'ভোগদৈৰ বানপানীৰ তাণ্ডৱ' আদি ।" *১০

'দৈনিক বাতৰি'ৰ প্ৰথম বছৰৰ ২১ আগষ্ট সংখ্যাত ড° বাণীকান্ত কাকতিয়ে ভাষাতত্ত্ব বিষয়ত গৱেষণা কৰি প্ৰথম পি.এইছ.ডি ডিগ্ৰী লাভ কৰা বাতৰিটো ড° কাকতিৰ ফটোসহ প্ৰকাশ কৰিছিল । সংবাদপত্ৰখনৰ পৰৱৰ্তী কেবাটাও সংখ্যাত ড° কাকতিক অসমৰ বিভিন্ন ঠাইত জনোৱা সম্বৰ্ধনাৰ বাতৰি প্ৰকাশ কৰিছিল ।

'দৈনিক বাতৰি' কংগ্ৰেছৰ বিৰোধী সংবাদপত্ৰ আছিল যদিও কংগ্ৰেছৰ বা-বাতৰিও সংবাদপত্ৰখনে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছিল। সংবাদপত্ৰখনত প্ৰবন্ধ-পাতি কমকৈ প্ৰকাশ হৈছিল । তদুপৰি সংবাদপত্ৰখনত কোনো দেওবৰীয়া চ'ৰা নাছিল । মাজে -সময়ে সংবাদপত্ৰখনত গ্ৰন্থ সমালোচনা প্ৰকাশ কৰিছিল । দীঘলীয়া প্ৰবন্ধ, চিঠি - পত্ৰ আদি কাকতখনত প্ৰকাশ কৰা নাছিল ।

" 'দৈনিক বাতৰি'ৰ বৰ্ধিত আকাৰত এটাই মাথোন 'বিশেষ সংখ্যা' ওলাইছিল আৰু সেই সংখ্যাটো (১৮৯ সংখ্যা) 'ৰঙালি বিহু সংখ্যা'ৰূপে ১৯৩৭ চনৰ ১৩ এপ্ৰিল তাৰিখে প্ৰকাশিত হৈছিল । এই বিশেষ সংখ্যাটোত বিহুগীত, কবিতা আৰু প্ৰবন্ধ প্ৰকাশিত হৈছিল । সহকাৰী সম্পাদক কৰুণাকান্ত গগৈৰ 'আঙ্গামি বিহুগীত' এই সংখ্যাতে প্ৰকাশিত হৈছিল । এই বিশেষ সংখ্যাৰ উল্লেখযোগ্য লিখকসকল আছিল পদ্মনাথ গোহাঞিবৰুৱা, জ্ঞানদাভিৰাম বৰুৱা, দীননাথ শৰ্মা, মাধৱচন্দ্ৰ বেজবৰুৱা, অতুলচন্দ্ৰ হাজৰিকা ইত্যাদি । এই সংখ্যাটোৰ প্ৰতিটো পৃষ্ঠা ৰঙীন আখৰত ছপা হৈছিল ।" *১১

'দৈনিক বাতৰি'ত প্ৰকাশিত বিভিন্ন সম্পাদকীয়ৰ যোগেদি অসম আৰু অসমীয়াৰ জাতীয় স্বাৰ্থ ৰক্ষাৰ ক্ষেত্ৰত উদ্দীপনাময় বাণী প্ৰেৰণৰ প্ৰয়াস কৰিছিল । অসমীয়া ভাষাৰ প্ৰকৃত মৰ্যাদা ৰক্ষাৰ বাবে 'দৈনিক বাতৰি'য়ে সদায় তৎপৰতা গ্ৰহণ কৰাৰ লগতে সমসাময়িক জ্বলন্ত সমস্যাবোৰ সমাধানৰ বাবে জনমত গঠনৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল ।

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ সম্পাদকীয়সমূহেও সচেতন লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল । অসমত এখন বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তাৰ সমৰ্থনত 'দৈনিক বাতৰি'য়ে মুঠ ছটা সম্পাদকীয় প্ৰকাশ কৰি বিশ্ববিদ্যালয় স্থাপনৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল ।

অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'অসম সংৰক্ষিণী সভা'ৰ ঘোষিত নীতিৰ দৃঢ় সমৰ্থক আছিল 'দৈনিক বাতৰি' । সেই কথা 'দৈনিক বাতৰি'ৰ বিভিন্ন সম্পাদকীয়ত প্ৰকাশিত হৈছিল । উল্লেখযোগ্য যে, 'দৈনিক বাতৰি'য়ে ইংৰাজ চৰকাৰ বিৰোধী কোনো বাতৰি প্ৰকাশ কৰা নাছিল । কেতিয়াবা সম্পাদকীয়ত চৰকাৰ বিৰোধী লেখা প্ৰকাশ কৰিলেও সেয়া ক্ষুৰধাৰ লেখনী নাছিল । সেইবিলাক অতি নৰম সুৰত লিখিছিল ।

"বিভিন্ন বা- বাতৰিৰ উপৰি কাকতখনত মাজে - সময়ে বতৰৰ আগলি বতৰাও প্ৰকাশ হৈছিল । সমসাময়িক আন সংবাদপত্ৰ- আলোচনীত এনে আগলি বতৰা চকুত নপৰে । 'দৈনিক বাতৰি'ত ৰায়বাহাদুৰ নাৰায়ণ চন্দ্ৰ বৰুৱাই ( 'কোৰ নাৰায়ণ' নামেৰে খ্যাত) মাজে - সময়ে তেনে বাতৰি দিছিল ।" *১২

## পৰৱৰ্তী অসমীয়া দৈনিক সংবাদপত্ৰ প্ৰকাশত 'দৈনিক বাতৰি'ৰ ভূমিকা :

১৯৩৫ চনত ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাৰ পৃষ্ঠপোষকতাত আৰু বাগ্মীবৰ নীলমণি ফুকনৰ সম্পাদনাত প্ৰকাশিত 'দৈনিক বাতৰি' হ'ল অসমীয়া দৈনিক সংবাদপত্ৰৰ বাটকটীয়া । 'দৈনিক বাতৰি'য়ে কাটি যোৱা বাটেৰেই অগ্ৰসৰ হৈ পৰৱৰ্তী সময়ত অসমৰ পৰা ভালেসংখ্যক দৈনিক সংবাদপত্ৰই ভুমুকি মাৰিলে । উত্তৰ-পূব ভাৰতৰ এই অনগ্ৰসৰ ৰাজ্যখনলৈ আধুনিক যুগৰ বাৰ্তা কঢ়িয়াই অনাৰ ক্ষেত্ৰত আজিৰ পৰা ৮৭ বছৰ আগতে দৈনিক অসমীয়া সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ প্ৰকাশ কৰিবলৈ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাই যি সাহসী পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া সঁচাই অতুলনীয় । যোৰহাট নগৰৰ পৰা প্ৰায় আঠমাইল নিলগৰ ঠেঙালৰ পৰা সংবাদপত্ৰখন প্ৰকাশ কৰাটো সেই সময়ত দুঃসাধ্য কাম আছিল ।

'দৈনিক বাতৰি'ৰ পৰা অনুপ্ৰেৰণা লাভ কৰিয়েই ১৯৪৬ চনৰ ২৬ জানুৱাৰীত দেৱকান্ত বৰুৱাৰ সম্পাদনাত অসমৰ দ্বিতীয়খন দৈনিক সংবাদপত্ৰ 'দৈনিক অসমীয়া' প্ৰকাশ হৈছিল । এইখন সংবাদপত্ৰক অসমীয়া ভাষাৰ দৈনিক সাংবাদিকতাৰ দ্বিতীয় খোজ বুলি অভিহিত কৰিব পাৰি । কাৰণ 'দৈনিক বাতৰি'য়ে দেখুৱাই যোৱা গৰমে গৰমে সংবাদ পৰিৱেশন কৰা নীতিৰ দ্বাৰা অনুপ্ৰাণিত হৈ 'দৈনিক অসমীয়া' কাকতে প্ৰথম টেলিপ্ৰিণ্টাৰ ব্যৱহাৰ কৰিছিল ।

১৯৪৯ চনৰ ৩১ মাৰ্চত 'দৈনিক অসমীয়া'ৰ প্ৰকাশ বন্ধ হৈ যোৱাত ১৯৪৯ চনৰ ২৬ জুনৰ পৰা গুৱাহাটীৰ 'ৰামধেনু প্ৰকাশ লিমিটেড'ৰ পৰা 'নতুন অসমীয়া' নামৰ দৈনিক সংবাদপত্ৰ এখন প্ৰকাশ হৈছিল । সংবাদপত্ৰখন প্ৰথম অৱস্থাত সাপ্তাহিক আছিল । কীৰ্তিনাথ হাজৰিকাই 'নতুন অসমীয়া'ৰ সম্পাদকৰ দায়িত্ব পালন কৰাৰ পাছত সংবাদপত্ৰখন দৈনিক হিচাপে প্ৰকাশ হ'বলৈ ধৰে ।

১৯৬৫ চনৰ ৪ আগষ্টত প্ৰকাশ পাইছিল আন এখন দৈনিক সংবাদপত্ৰ 'দৈনিক অসম' । সংবাদপত্ৰখনৰ প্ৰতিষ্ঠাপক সম্পাদক আছিল কীৰ্তিনাথ হাজৰিকা । এইখন সংবাদপত্ৰৰ যোগেদিয়েই অসমত ফটো সাংবাদিকতা আৰু কাৰ্টুন সাংবাদিকতাই প্ৰসাৰ লাভ কৰে ।

যোৰহাটৰ পৰা ১৯৭২ চনৰ ১ জুনত প্ৰকাশ পায় 'দৈনিক জনমভূমি' । জনমভূমি গোষ্ঠীৰ পৰা প্ৰকাশ পোৱা এই সংবাদপত্ৰখনৰ প্ৰথম সম্পাদক ( পৰিচালন সম্পাদক) আছিল কনক চন্দ্ৰ শৰ্মা ।

১৯৮২ চনৰ ছেপ্তেম্বৰ মাহত গুৱাহাটীৰ পৰা প্ৰকাশ পাইছিল আন এখন দৈনিক সংবাদপত্ৰ 'প্ৰতিদিন'। সংবাদপত্ৰখনৰ সম্পাদক আছিল ৰবিজিৎ চৌধুৰী । চাৰি পৃষ্ঠাৰ এই সংবাদপত্ৰখনে সংবাদ আৰু প্ৰবন্ধ আদি পৰিৱেশনত কোনো নতুনত্ব দিব নোৱাৰাত পাঠকে সংবাদপত্ৰখন আঁকোৱালি নল'লে । ফলত সংবাদপত্ৰখন মাত্ৰ কেইমাহমান চলিয়েই বন্ধ হয় ।

১৯৮৭ চনৰ ১৫ আগষ্টত গুৱাহাটীৰ 'ছেণ্টিনেল' গোষ্ঠীৰ পৰা ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাত 'আজিৰ অসম' নামৰ দৈনিক সংবাদপত্ৰখন প্ৰকাশ পায় । "তেতিয়া গুৱাহাটীৰ পৰা 'দৈনিক অসম' আৰু যোৰহাটৰ পৰা 'দৈনিক জনমভূমি' প্ৰকাশ হৈ আছিল বাবে তৃতীয় এখন অসমীয়া দৈনিকৰ 'জন্ম হোৱাটো অসমৰ ইতিহাসৰ এক উল্লেখ কৰিবলগা ঘটনা' বুলি কাকতখনৰ প্ৰথম সম্পাদকীয়ত উল্লেখ কৰা হয়৷ "*১৩

১৯৮৮ চনৰ ১ জানুৱাৰীত চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদনাত প্ৰকাশ পাইছিল 'নতুন দৈনিক' নামৰ সংবাদপত্ৰখন । এই সংবাদপত্ৰখনে সংবাদ পৰিৱেশনত নতুনত্ব অনাৰ লগতে 'দেওবৰীয়া নতুন দৈনিক', ' বিজ্ঞান প্ৰযুক্তিবিদ্যা' আদি শিতানৰ যোগেদি পাঠকক নতুন স্বাদ দিছিল ।

১৯৯১ চনৰ ১৬ ডিচেম্বৰৰ পৰা ধীৰেন্দ্ৰনাথ চক্ৰৱৰ্তীৰ সম্পাদনাত প্ৰকাশ পাইছিল দৈনিক সংবাদপত্ৰ 'আজিৰ বাতৰি' । ১৯৯৪ চনত গুৱাহাটীৰ পৰা পৰেশ বৈশ্যৰ সম্পাদনাত প্ৰকাশ হৈছিল দৈনিক সংবাদপত্ৰ 'আজিৰ সংবাদ' ।

১৯৯৫ চনৰ ২০ ফেব্ৰুৱাৰীত প্ৰকাশ পায় 'অসমীয়া প্ৰতিদিন' । সংবাদপত্ৰখনৰ প্ৰথম সম্পাদক অজিত কুমাৰ ভূঞা আৰু কাৰ্যবাহী সম্পাদক আছিল পৰাগ কুমাৰ দাস । এই সংবাদপত্ৰই হাস্য আৰু ব্যংগ ৰচনা প্ৰকাশত গুৰুত্ব দি এই দিশত অসমীয়া সংবাদপত্ৰত এক নতুন মাত্ৰা যোগ দিয়ে । ১৯৯৫ চনৰে ৬ অক্টোবৰৰ পৰা অগ্ৰদূত গোষ্ঠীৰ পৰা স্বত্বাধিকাৰ কনকসেন ডেকাৰ সম্পাদনাত 'দৈনিক অগ্ৰদূত' নামৰ সংবাদপত্ৰখন প্ৰকাশ পায় ।

১৯৯৭ চনৰ এপ্ৰিল মাহৰ পৰা জি.এল.পাব্লিকেচনৰ পৰা হোমেন বৰগোহাঞিৰ সম্পাদনাত দৈনিক সংবাদপত্ৰ 'আমাৰ অসম' প্ৰকাশ পায় । ইয়াৰ পাছত 'অসমীয়া খবৰ', 'দৈনিক জনসাধাৰণ', 'আজিৰ দৈনিক বাতৰি', 'এদিনৰ সংবাদ', 'নিয়মীয়া বাৰ্তা', 'দৈনন্দিন বাৰ্তা, 'গণ অধিকাৰ', 'অসম আদিত্য' আদি বহুকেইখন দৈনিক সংবাদপত্ৰৰ নাম অসমীয়া সংবাদপত্ৰৰ জগতখনত সংযোজিত হয় । এই সংবাদপত্ৰসমূহে প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'য়ে দেখুৱাই যোৱা পথেদি অগ্ৰসৰ হৈ আগ বাঢ়ি গৈছে ।

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ত দেখা পোৱা বৈশিষ্ট্যবিলাক পৰৱৰ্তী সংবাদপত্ৰসমূহতো প্ৰতিফলিত হৈছে । 'দৈনিক বাতৰি'য়ে যেনেকৈ 'ৰয়টাৰ', 'এচ'চিয়েটেড প্ৰেছ' আদি সংবাদ প্ৰতিষ্ঠানৰ সংবাদ ক্ৰয় কৰি অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰিছিল । তেনেকৈ পৰৱৰ্তী সংবাদপত্ৰসমূহেও সংবাদ প্ৰতিষ্ঠানৰ সংবাদ ক্ৰয় কৰি, অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশ কৰে ।

'দৈনিক বাতৰি'য়ে সংবাদ এটা পৰিৱেশন কৰোঁতে আকৰ্ষণীয় শিৰোনাম ব্যৱহাৰ কৰিছিল । পৰৱৰ্তী দৈনিক সংবাদপত্ৰসমূহেও আকৰ্ষণীয় শিৰোনাম ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব দি চমৎকাৰ শিৰোনামেৰে সংবাদ পৰিৱেশন কৰে ।

'দৈনিক বাতৰি'ত প্ৰকাশিত বিভিন্ন সম্পাদকীয়ৰ যোগেদি সমসাময়িক জ্বলন্ত সমস্যাবোৰ সমাধানৰ বাবে জনমত গঠনৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল । পৰৱৰ্তী দৈনিক সংবাদপত্ৰসমূহেও বিভিন্ন সম্পাদকীয়ৰ যোগেদি সমসাময়িক জ্বলন্ত সমস্যাবোৰ সমাধানৰ বাবে জনমত গঠনৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে ।

বিজ্ঞাপন হ'ল একোখন দৈনিক সংবাদপত্ৰৰ চালিকা শক্তি । সেয়ে প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'য়ে বিজ্ঞাপনৰ ক্ষেত্ৰত গুৰুত্ব দিছিল । 'দৈনিক বাতৰি'ৰ দৰেই পৰৱৰ্তী দৈনিক সংবাদপত্ৰসমূহেও বিজ্ঞাপনৰ ক্ষেত্ৰত গুৰুত্ব দি যথেষ্ট বিজ্ঞাপন প্ৰকাশ কৰে ।

'দৈনিক বাতৰি' প্ৰকাশ হৈছিল যোৰহাট নগৰৰ পৰা প্ৰায় আঠমাইল দূৰত্বত অৱস্থিত ঠেঙাল ভৱনৰ পৰা । ঠেঙাল আছিল এখন মফচলীয় ঠাইত । ১৯৩৫ চনতে এখন মফচলীয় ঠাইৰ পৰা অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ প্ৰকাশ কৰা কথাটোৰ পৰা প্ৰেৰণা লাভ কৰিয়েই পৰৱৰ্তী সময়ত কেইবাখনো দৈনিক সংবাদপত্ৰ মফচলৰ পৰা প্ৰকাশ হয় ।

'দৈনিক বাতৰি'য়ে এনেদৰে পৰৱৰ্তী অসমীয়া দৈনিক সংবাদপত্ৰ প্ৰকাশত ভূমিকা লৈছিল । অৱশ্যে ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱাই প্ৰথমখন সংবাদপত্ৰ 'দৈনিক বাতৰি' ব্যৱসায়িক মুনাফা লাভৰ উদ্দেশ্য প্ৰকাশ কৰা নাছিল । সংবাদপত্ৰখন উলিওৱাৰ উদ্দেশ্য আছিল প্ৰচুৰ জাতীয় দায়বদ্ধসম্পন্ন শিৱপ্ৰসাদ বৰুৱাৰ স্বজাতিৰ প্ৰতি থকা টান আৰু ভাষাৰ প্ৰতি থকা প্ৰেম । সেই সময়ত শিৱপ্ৰসাদ বৰুৱাই আৰ্থিকভাৱে লোকচান ভৰি প্ৰকাশ কৰা 'দৈনিক বাতৰি'ৰ যোগেদিয়েই অসমত সাংবাদিকতাৰ বৃত্তিগত চিন্তাৰ সূত্ৰপাত ঘটিছিল । পৰৱৰ্তী দৈনিক সংবাদপত্ৰসমূহেও বৃত্তিগত চিন্তাক প্ৰাধান্য দিয়াত বিভিন্ন সংবাদপত্ৰৰ মাজত সংবাদ সংগ্ৰহ আৰু প্ৰকাশৰ তীব্ৰ প্ৰতিযোগিতা হ'বলৈ ধৰে । ফলত অসমৰ মুদ্ৰণ শিল্পলৈয়ো অত্যাধুনিক ছপা প্ৰযুক্তিৰ আগমন ঘটে । এটা সময়ত সংবাদপত্ৰ যদিও মতামত প্ৰকাশৰ মাধ্যম আছিল, বৰ্তমান সংবাদপত্ৰ এক উদ্যোগত পৰিণত হৈছে । প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ অনুপ্ৰেৰণা লাভ কৰিয়েই পৰৱৰ্তী সময়ৰ সংবাদপত্ৰসমূহে 'সংবাদপত্ৰ'ক উদ্যোগ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে ।

## উপসংহাৰ :

অসমীয়া ভাষাৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'য়ে অসমীয়া সাংবাদিকতাৰ ইতিহাসত এক নতুন যুগৰ প্ৰৱৰ্তন কৰিছিল । ১৯৩৫ চনৰ পৰা ১৯৩৭ চনলৈকে 'দৈনিক বাতৰি'য়ে অসমৰ পাঠক সমাজক নিতৌ বাতৰিৰ যোগান ধৰিছিল । সংবাদপত্ৰখন কিমান দিন প্ৰকাশ পাইছিল এই সম্পৰ্কত বিভিন্নজনৰ মাজত মতপাৰ্থক্য আছে যদিও সংবাদপত্ৰখনযে ১৯৩৭ চনৰ ২৯ জুন পৰ্যন্ত ( ২য় বছৰ, ২৪৭ সংখ্যা) প্ৰকাশ হৈছিল বুলি ইয়াৰ নিশ্চিত তথ্য পোৱা যায় । ১৯৩৭ চনৰ ২৯ জুনত সংবাদপত্ৰখনৰ প্ৰকাশ বন্ধ কৰি প্ৰেছৰ মেচিন বিক্ৰী কৰি দিয়া হয় । এনেকৈয়ে অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ প্ৰচলন বন্ধ হয় ।

অসমৰ প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ যেনেদৰে বিশ্লেষণ আৰু সংৰক্ষণ হ'ব লাগিছিল তেনেদৰে হোৱা নাই । উপযুক্ত সংৰক্ষণৰ অভাৱতে প্ৰথমখন দৈনিক সংবাদপত্ৰ 'দৈনিক বাতৰি'ৰ সকলোবোৰ সংখ্যা বৰ্তমান পাবলৈ নোহোৱা হ'ল। আজি যদিও 'দৈনিক বাতৰি' নাই তথাপি 'দৈনিক বাতৰি'য়ে সংবাদ জগতত গঢ়ি থৈ যোৱা ভেটিৰ আলমতে পৰৱৰ্তী সংবাদপত্ৰসমূহে প্ৰেৰণা লাভ কৰি আগ বাঢ়ি গৈছে । সেয়ে অনাগত দিনবিলাকতো 'দৈনিক বাতৰি' আন সংবাদপত্ৰসমূহৰ আদৰ্শ আৰু অনুপ্ৰেৰণা হৈ ৰ'ব ।

## পাদটীকা

*১. শইকীয়া, চন্দ্ৰপ্ৰসাদ ( সম্পা.) : অসমৰ বাতৰিকাকত– আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৭৯

*২. শইকীয়া, চন্দ্ৰপ্ৰসাদ ( সম্পা.) : অসমৰ বাতৰিকাকত– আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৮৯

*৩. বৰুৱা, ৰাম : 'বাতৰিৰ স্মৃতি' অসমৰ বাতৰিকাকত : এটি ৰূপৰেখা, পৃ ২০৫

*৪. Dutta, Arup Kumar : The Khongia Barooahs of Thengal, Page 83

*৫. ফুকন, লক্ষ্মীনাথ : মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ, পৃ ১৪৭

*৬. শৰ্মা, বেণুধৰ : মজিয়াৰ পৰা মেজলৈ, পৃ ৫৪৫

*৭. নাছৰিন, স্বামিম : 'নগৰৰ কথা'ৰ কথা ( প্ৰবন্ধ), বসুন্ধৰা, দৈনিক জনমভূমি, ৮ আগষ্ট, ২০১০, পৃ ১৩

*৮. শইকীয়া, চন্দ্রপ্রসাদ ( সম্পা.) : অসমৰ বাতৰিকাকত–আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৭৯–২৮০

*৯. শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : অসমৰ বাতৰিকাকত–আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৮৮

*১০. শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৮৮

*১১. শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৮৯

*১২. বৰুৱা, শান্তনু কৌশিক (সম্পা.) : সাহিত্যৰ জ্ঞানকোষ, পৃ ২৫৯

*১৩. শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : অসমৰ বাতৰিকাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ ২৫০

## গ্ৰন্থপঞ্জী

শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : অসমীয়া বাতৰিকাকত– আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, ১৯৯৮

গোস্বামী, ড° ধ্ৰুৱজ্যোতি : ঊনবিংশ শতিকাৰ পটভূমিত অসমীয়া সংবাদপত্ৰৰ উদ্ভৱ আৰু বিকাশ, ২০০৫

বৰুৱা, শান্তনু কৌশিক (সম্পা.) : সাহিত্যৰ জ্ঞানকোষ

নেওগ, ডিম্বেশ্বৰ : অসমীয়া সাহিত্যৰ বুৰঞ্জী, ১৯৫৭

শইকীয়া, চন্দ্রপ্রসাদ (সম্পা.) : গৰীয়সী, আগষ্ট, ১৯৯৫

"দৈনিক বাতৰি"ৰ সম্পাদকীয়, ২১ ছেপ্তেম্বৰ, ১৯৩৫

"দৈনিক জনমভূমি"ৰ দেওবৰীয়া পৰিপূৰিকা "বসুন্ধৰা", ৮ আগষ্ট, ২০১০

শৰ্মা, বেণুধৰ : মজিয়াৰ পৰা মেজলৈ

ফুকন, লক্ষ্মীনাথ : মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ

বৰুৱা, প্ৰফুল্লচন্দ্ৰ : অসমৰ বাতৰিকাকত : এটি ৰূপৰেখা

Dutta, Arup Kumar : The Khongia Barooahs of Thengal.